জনসংযোগ, অসম প্ৰেছ বাৰ্তা -

# অসম ৰে'ল আৰক্ষীৰ হেল্পলাইন মুকলি কৰিলে মুখ্য মন্ত্ৰীয়ে

**দিছপুৰ, ২৭ জুন ঃ** মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি গুৱাহাটী ৰে'লৱে ষ্টেচনত আয়োজিত এক অনুষ্ঠানত অসম ৰে'ল আৰক্ষীৰ হেল্পলাইন নম্বৰ - '১৫১২'ৰ মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্য মন্ত্ৰী গগৈয়ে কয় যে ৰে'ল পথৰ সম্প্ৰসাৰণ আৰু ৰে'ল গাড়ীৰ সংখ্যা বৃদ্ধিয়ে একোটা অঞ্চলৰ উন্নয়নৰ পৰিচয় দাঙি ধৰে। ৰে'ল ভাড়াৰ নিৰিখ কম আৰু ৰে'ল যাত্ৰা আৰামদায়কো। জনসাধাৰণে ৰে'ল যাত্ৰা কৰি ভাল পায়। কিন্তু ৰে'ল যাত্ৰাত যাত্ৰীৰ নিৰাপত্তা নিশ্চিত হ'ব লাগিব। কমখৰচী আৰু আৰামদায়ক ভ্ৰমণৰ লগতে যাত্ৰীসকলে নিৰাপদ ভ্ৰমণৰ সুবিধা লাভ কৰিব লাগিব। ৰে'ল আৰক্ষীয়ে ৰে'ল যাত্ৰীৰ নিৰাপত্তাৰ বাবে কাম কৰি আহিছে। যাত্ৰীসকলে যাতে চোৰ-ডকাইত বা সমাজ বিৰোধী অসাধু ব্যক্তিৰ কৱলত নপৰে, মহিলা যাত্ৰীসকলে যাতে কোনো হাৰাশাস্তিৰ সন্মুখীন নহয় তাৰ বাবে ৰে'ল আৰক্ষীয়ে সেৱা আগবঢ়াই আহিছে। এতিয়া এই নতুন হেল্পলাইন নম্বৰে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাত সহায় কৰিব। মুখ্য মন্ত্ৰীয়ে তেওঁৰ ভাষণ প্ৰসংগত ৰে'লেৰে সৰবৰাহ কৰা নিচাযুক্ত সামগ্ৰী, অস্ত্ৰ-শস্ত্ৰ আদি জব্দ কৰাৰ ক্ষেত্ৰত ৰে'ল আৰক্ষীয়ে লাভ কৰা সফলতাৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে এই নতুন হেল্পলাইনৰ জৰিয়তে ৰে'ল যাত্ৰীয়ে বিপদৰ সময়ত আৰক্ষীৰ সৈতে তৎক্ষণাত যোগাযোগ কৰিব পাৰিব আৰু ইয়াৰ ফলত ৰে'ল যাত্ৰা অধিক নিৰাপদ হ'ব। মুখ্য মন্ত্ৰীয়ে ৰে'ল যাত্ৰী, ৰে'ল কৰ্তৃপক্ষ আৰু আৰক্ষী তথা সংশ্লিষ্ট সকলোৰে সহযোগত অসমত ৰে'ল যাত্ৰা দেশৰ আন প্ৰান্তৰ বাবে আদৰ্শ স্বৰূপ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মুখ্য মন্ত্ৰীয়ে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা অসম ৰে'ল আৰক্ষীৰ বিষয়া-কৰ্মচাৰীৰ সন্তানসকলক সম্বৰ্দ্ধনা জনায়।

আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান খগেন শৰ্মাই ৰে'ল যাত্ৰীৰ নিৰাপত্তা সুনিশ্চিত কৰাত ৰে'ল আৰক্ষীয়ে গ্ৰহণ কৰাৰ ভূমিকাৰ কথা ব্যাখ্যা কৰে। আৰক্ষী সঞ্চালকপ্ৰধান গৰাকীয়ে নতুন হেল্পলাইন নম্বৰটো এইক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান (ৰে'লৱে) ভাস্কৰজ্যোতি মহন্তই অসম ৰে'ল আৰক্ষীৰ ইতিহাস, ৰে'ল আৰক্ষীৰ কাম-কাজ, বিগত সময়ছোৱাত লাভ কৰা সফলতা আদিৰ ব্যাখ্যা আগবঢ়ায়।

অনুষ্ঠানত উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক ৰঞ্জিৎ সিং ৰিৰ্ডিয়েও ভাষণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত গৃহ বিভাগৰ আয়ুক্ত সচিব এল এছ চাংছনৰ লগতে আৰক্ষী আৰু উত্তৰ পূৱ সীমান্ত ৰে'লৱেৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

সংশাঃ

২৭/০৬/২০১৫